# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২২ চনৰ ৪ ফেব্রুৱাৰী তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ মহান মৰ্যাদা প্ৰাপ্ত খলিফা ৰাশেদ হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ স্বয়ং সম্পূৰ্ণ গুণাৱলীৰ স্মৃতিচাৰণ মূলক বৰ্ণনা**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আগৰে পৰাই হজৰত আবু বক্কৰ (ৰাঃ)ৰ গুণাৱলী সম্পৰ্কে স্মৃতিচাৰণ মূলক বৰ্ণনা চলি আছে। কিছুমান যুদ্ধ বিগ্ৰহৰ বৰ্ণনা কৰা হৈ আছে। আব্দুৰ ৰহমান গানম (ৰাঃ)ৰ পৰা বৰ্ণিৰ্ত আছে যে যেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে বনু কুৰাইজাৰ ফালে যাত্ৰা কৰে তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ) আৰু হজৰত উমৰ (ৰাঃ)য়ে তেখেত (ছাঃ)ৰ ওচৰত আবেদন জনাইছিল যে যদি তেখেত (ছাঃ)য়ে জাগতিক সৌন্দৰ্যৰ পোছাক পৰিধান কৰে তেন্তে লোকে সেয়া চাই ইছলাম গ্ৰহণ কৰিবলৈ বেছি আগ্ৰহী হ'ব। এয়া শুনি আঁ-হজৰত (ছাঃ)য়ে কৈছিল যে মোৰ পালন কৰ্ত্তায় মোৰ বাবে উমৰ বিন খাত্তাব (ৰাঃ)ক ফিৰিস্তা সকলৰ মাজত জিব্ৰাইলৰ দৰে উদাহৰণ দাঙি ধৰিছে। আল্লাহ তা'লা প্ৰত্যেক উম্মতক জিব্ৰাইলৰ হতুৱাই ধ্বংসপ্ৰাপ্ত কৰিছে আৰু তাৰ উদাহৰণ হ'ল আম্বিয়া সকলৰ ভিতৰত হজৰত নুহ (আঃ)ৰ উদাহৰণ। যেতিয়া তেখেত (আঃ)য়ে কৈছিল

رَبِّ لَا تَذَرْ عَلَى الْأَرْضِ مِنَ الْكٰفِرِيْنَ دَيَّارًا

অৰ্থাৎ হে মোৰ পালনকৰ্ত্তা ! কাফিৰ সকলৰ কাকো জমিনত জীয়াই থাকিবলৈ নিদিবা। আনহাতে হজৰত আবু বক্কৰ (ৰাঃ)ৰ উদাহৰণ হ'ল মিকাইলৰ দৰে। যেতিয়া তেখেতে ভূমণ্ডলত থকা মানৱৰ বাবে ক্ষমা ভিক্ষা কৰে আৰু আম্বিয়া সকলৰ মাজত হজৰত ইব্ৰাহিম (আঃ)ৰ সৈতে এখেত (ৰাঃ)ৰ তুলনা কৰা হৈছে। যেতিয়া তেখেতে কৈছিল,

فَمَنْ تَبِعَنِيْ فَإِنَّهُ مِنِّيْ ۚ وَمَنْ عَصَانِيْ فَإِنَّكَ غَفُوْرٌ رَّحِيْمٌ۔

গতিকে যিজনে মোৰ আনুগত্যশীল তেওঁ অৱশ্যেই মোৰ ফালৰ আৰু যিজনে মোৰ অবাধ্য হৈছে; তুমিয়েই নিশ্চয় (তাক) বহুত ক্ষমা দান কৰোঁতা আৰু বাৰে বাৰে দয়া কৰোঁতা।

আঁ-হজৰত (ছাঃ)য়ে কৈছে যদি তোমালোক দুজনে কোনো বিষয়ে মোৰ সৈতে একমত হৈ যোৱা তেন্তে মই তোমালোকৰ পৰামৰ্শৰ বিৰুদ্ধে নাযাও। কিন্তু তোমালোক দুজনৰ অৱস্থা পৰামৰ্শৰ ক্ষেত্ৰত কেইবা প্ৰকাৰৰ হয় যেনেকৈ জিব্ৰাইল আৰু মিকাইল আৰু নুহ আৰু ইব্ৰাহিম (আঃ)ৰ উদাহৰণ।

এটা ৰিৱায়তত উল্লেখ আছে যে বনু কুৰাইজাৰ দুৰ্গত হজৰত ছাআদ (ৰাঃ) আৰু হজৰত কাআব বিন উমৰু মাজিনিয়ে তীৰ আক্ৰমণ চলাইছিল। এনেদৰে ৰাতিৰ কিছু অংশ পাৰ হৈ গৈছিল তেতিয়া এখেত সকলে নিজৰ গন্তব্যস্থানলৈ ওভতি আহে আৰু হজৰত ছাআদ বিন উবাদা (ৰাঃ)য়ে পঠোৱা খেজুৰ খাই সময় পাৰ কৰিছিল। ৰছুলুল্লাহ (ছাঃ), হজৰত আবু বক্কৰ  (ৰাঃ) আৰু হজৰত উমৰ (ৰাঃ)য়েও সেই খেজুৰ খাই আছিল এনেতে আঁ-হজৰত (ছাঃ)য়ে কয় যে খেজুৰ কিমানেই যে উত্তম খাদ্য। হজৰত আয়শা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে যেতিয়া হজৰত ছাআদ বিন মুৱাজ (ৰাঃ)ৰ নিশ্বাস বন্ধ হৈ যোৱাৰ অৱস্থা উপক্ৰম হৈছিল; ৰছুলুল্লাহ (ছাঃ)আৰু হজৰত আবু বক্কৰ (ৰাঃ) আৰু হজৰত উমৰ (ৰাঃ)য়ে তেখেত (ৰাঃ)ৰ ওচৰলৈ আহে। কৈছে যে সেই সত্তাৰ শপত ! যাৰ মহা শক্তিৰ বলয়ত মহম্মদ (ছাঃ)ৰ প্ৰাণ যে মই হজৰত উমৰ (ৰাঃ)ৰ কন্দাৰ শব্দ হজৰত আবু বক্কৰ (ৰাঃ)ৰ কন্দাৰ শব্দৰ পৰা পৃথক বুজিব পাৰিছিলোঁ; তেতিয়া মই মোৰ কোঠালিত আছিলো। অৰ্থাৎ এওঁলোক দুয়োজনে তেতিয়া কান্দি আছিল আৰু তেওঁলোকে এনেকুৱা আছিল যেনেকৈ আল্লাহ তা'লা কৈছে- رُحَمَاءُ بَيْنَهُمْ অৰ্থাৎ তেওঁলোকে পৰস্পৰে বৰ মৰম চেনেহ কৰোঁতা হয়।

আগৰ খোতবাত হুদায়বিয়াৰ চুক্তি সম্পৰ্কে উল্লেখ কৰা হৈছে এটা সপোনৰ ওপৰত ভিত্তি কৰি আঁ-হজৰত (ছাঃ)য়ে ছৈধ্য শ মান চাহাবাৰ এটা দলক লগত লৈ ছয় হিজৰিৰ জিলকদ মাহত উমৰাহ কৰিবলৈ মক্কালৈ যাত্ৰা কৰে। ৰছুলুল্লাহ (ছাঃ)য়ে জানিব পৰিছিল যে মক্কাৰ বাসিন্দা সকলে তেখেত (ছাঃ)ক মক্কাত প্ৰৱেশ কৰিবলৈ বাধা দিয়াৰ কাৰণে প্ৰস্তুত হৈ পৰিছে। বুখাৰী চৰিফৰ এটা বৰ্ণনাত উল্লেখ আছে যে এই যাত্ৰাৰ আগতেই আঁ-হজৰত (ছাঃ)ৰ সৈতে কুৰাইছ সকলৰ চুক্তিৰ চৰ্তসমূহ সম্পন্ন কৰা হৈছিল। তেতিয়া ছুহেল বিন উমৰুৰ পুত্ৰ হজৰত আবু জিন্দল (ৰাঃ)য়ে শৃংঙ্খলিত অৱস্থাত কঁপি কঁপি আঁ-হজৰত (ছাঃ)ৰ ওচৰত আহি উপস্থিত হয়। ছুহেল বিন উমৰু তেতিয়া মক্কাৰ ফালৰ পৰা দূত হিচাপে আহিছিল; তেওঁ আবু জিন্দল (ৰাঃ)ক ঘূৰাই পঠাবলৈ আঁ-হজৰত (ছাঃ)ক দাবী জনাইছিল। আঁ-হজৰত (ছাঃ)য়ে তেখেত (ৰাঃ)ক কুৰাইছ সকলৰ হাতত গতাই দিয়ে। এয়া দেখি হজৰত উমৰ (ৰাঃ)য়ে অধীৰ হৈ ৰছুলুল্লাহ (ছাঃ)ক কৈছিল- কিয় ! আপুনি খোদা তা'লাৰ সত্য ৰছুল নহয়নে ? আঁ-হজৰত (ছাঃ)য়ে উত্তৰ দিছিল হয়, নিশ্চয় মই এজন সত্য ৰছুল হওঁ। হজৰত উমৰ (ৰাঃ)য়ে সুধিছিল কিয়! আমি সত্যৰ ওপৰত আৰু আমাৰ শত্ৰুবিলাকে মিছাৰ ওপৰত থকা নাইনে ? তেখেত (ছাঃ)য়ে কৈছিল-হয় ! নিশ্চয় তেনেকুৱাই হৈ আছে। তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে কৈছিল- তেন্তে আমি কিয় এই অপমানিত দুঃখ চুক্তি সহ্য কৰিম ? তেতিয়া আঁ-হজৰত (ছাঃ)য়ে কয় মই খোদা তা'লাৰ ৰছুল হওঁ আৰু খোদা তা'লাৰ ইচ্ছা কি সেৱা জানো আৰু তাৰ বিৰুদ্ধে চলিব নোৱাৰো আৰু সেইজনাই মোৰ সহায়কাৰী। হজৰত উমৰ (ৰাঃ)য়ে কৈছিল- কিয় ! আপুনি কোৱা নাইনে যে আমি বায়তুল্লাহ তোৱাফ কৰিম ? তেখেত (ছাঃ)য়ে কয় যে কিয় মই এয়াও কৈছিলো নেকি যে এই তোৱাফ (প্ৰদিক্ষণ) নিশ্চয় এই বছৰেই হ'ব। হজৰত উমৰ (ৰাঃ)য়ে উত্তৰ দিছল যে নহয়। ইয়াৰ পিছত আঁ-হজৰত (ছাঃ)য়ে কৈছিল তেন্তে অপেক্ষা কৰা, তোমালোকে নিশ্চয় মক্কাত প্ৰৱেশ কৰি ইনশা আল্লাহ কা'বা তোৱাফ কৰিবা। এয়া শুনি  হজৰত উমৰ (ৰাঃ)য়ে সন্তুষ্ট হোৱা নাছিল আৰু হজৰত আবু বক্কৰ (ৰাঃ)ৰ ওচৰত গৈ

তেখেতৰ লগতও এনেধৰণৰ  কথোপকথন কৰে। হজৰত আবু বক্কৰ (ৰাঃ)য়েও সেই একেই উত্তৰ দিয়ে আৰু লগতে কয় যে চোৰা উমৰ ! ৰছুলে খোদাৰ এনাজৰিত যি হাত তুমি ৰাখিছা তাক ঢিলা হ'বলৈ নিদিবা; কাৰণ খোদাৰ কছম ! এই জন ব্যক্তি সত্য; হজৰত উমৰ (ৰাঃ)য়ে কয় যে পিছত মই বৰ লজ্জিত হৈছিলো আৰু তওবা হিচাপে এই দুৰ্বলতা দূৰ কৰিবলৈ বহুত নফল আমল কৰিছিলোঁ যাতে মোৰ এই দুৰ্বলতাৰ দাগ মচি যায়।

এই হুদায়বিয়াৰ সন্ধি সম্পৰ্কে হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে লিখিছে যে উৰুৱা আঁ-হজৰত (ছাঃ)ৰ ওচৰত আহি কুৰাইছ সকলৰ সপক্ষে সুবিধাজনক চৰ্ত স্বাক্ষৰিত কৰিবলৈ কৈছিল, হে মহম্মদ (ছাঃ) যদি কুৰাইছ সকলৰ বিজয় হয় তেন্তে খোদাৰ কছম !  মই তোমাৰ চাৰিওকাযে এনেকুৱা মুখবোৰ দেখা পাই আছো যে এওঁলোক সকলোৱেই তোমাৰ লগ এৰি দিব। হজৰত আবু বক্কৰ (ৰাঃ)য়ে সেই সময় খিনিত আঁ-হজৰত (ছাঃ)ৰ কাষতে বহি আছিল, উৰুৱাৰ এই কথাবোৰ শুনি তেখেতে বৰ উত্তেজিত হৈ পৰে আৰু কয় যে যোৱা নিজৰ ভুত লাতক চুমা খাই থাকাগৈ। কিয় ! আমি খোদা তা'লাৰ ৰছুলক এৰি যাম ? নাইবা এনেকুৱা হ'ব পাৰে যে তোমালোকে নিজৰ ভুত বিলাকৰ বাবে ধৈৰ্য আৰু স্থিতি দেখুৱাবা আৰু আমি খোদাৰ ওপৰত ঈমান স্থাপন কৰাৰ পিছত ৰছুলুল্লাহ (ছাঃ)ক এৰি পলাই যাও!

ছিৰাত খাতামান নাবিঈনৰ পৰা বৰ্ণিত যে হুদায়বিয়াৰ সন্ধিৰ চুক্তি নামাৰ দুটা নকল কপি বনোৱা হয় আৰু সাক্ষী হিচাপে মুছলমান সকলৰ ফালৰ পৰা হজৰত আবু বক্কৰ (ৰাঃ)য়েও  স্বাক্ষৰ কৰে। হজৰত আবু বক্কৰ (ৰাঃ)য়ে কৈ থাকিছিল যে ইছলামত হুদায়বিয়াৰ সন্ধিতকৈ ডাঙৰ আৰু কোনো বিজয় নাই।

হজৰত আবু বক্কৰ (ৰাঃ)ৰ নেতৃত্বত বনু কুৰাইজাৰ সৈতে যুদ্ধ ছয় হিজৰিত সংগঠিত হয়। ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ক উক্ত বাহিনীৰ আমিৰ নিযুক্ত কৰিছিল। হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে এই বাহিনী সম্পৰ্কে বৰ্ণাওতে লিখিছে যে উক্ত যুদ্ধত কেইবাজন মুশৰিক মৃত্যু হৈছিল আৰু কেইবাজনক গ্ৰেপ্তাৰ কৰি লোৱা হয়।

নজদৰ বিৰুদ্ধে হজৰত আবু বক্কৰ (ৰাঃ)ৰ যুদ্ধ। এই যুদ্ধ সম্পৰ্কে লিখা আছে যে এই যুদ্ধ সাত হিজৰিৰ শ্বাবান মাহত সংগঠিত হৈছিল।  হজৰত ছলমা বিন আকুৱা বৰ্ণনা কৰিছে যে ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ক আমাৰ ওপৰত আমিৰ হিচাপে পঠাই দিছিল। খয়বৰৰ যুদ্ধ সম্পৰ্কে উল্লেখ আছে যে ৰছুলুল্লাহ (ছাঃ)য়ে চন সাত হিজৰিত খয়বৰলৈ যাত্ৰা কৰিছিল। লাহোৰত মুদ্ৰিত এখন কিতাপ **ছৈয়দিনা ছিদ্দিক আকবৰ** নামক গ্ৰন্থৰ ৰচিয়তাই লিখিছে যে এটা দুৰ্গ হজৰত আবু বক্কৰ (ৰাঃ)ৰ হাতত জয় লাভ কৰে আৰু আনটো দুৰ্গ জয় কৰে হজৰত উমৰ (ৰাঃ)য়ে আৰু তৃতীয়টো দুৰ্গ বিজয় হৈছিল হজৰত আলি (ৰাঃ)ৰ হাতত। খয়বৰৰ যুদ্ধত বিজয় লাভ কৰাৰ পিছত ৰছুলুল্লাহ (ছাঃ)য়ে কিছুমান আত্মীয় সকলৰ ওপৰিও হজৰত আবু বক্কৰ (ৰাঃ)কও এশ ৰছক (১৬৫০০ কিলো) গল্লা  আৰু খেজুৰ প্ৰদান কৰিছিল।

কুৰাইছ সকলৰ বন্ধু বনু বকৰে হুদায়বিয়াৰ সন্ধিৰ বিৰোধীতা কৰি মুছলমান কবিলা বনু খাজাআৰ ওপৰত আক্ৰমণ চলাইছিল তাতে কুৰাইছ সকলে অস্ত্ৰ-সস্ত্ৰ আৰু আৰোহী বাহনেৰে বনু বকৰক সহায় কৰে আৰু এনেদৰে হুদায়বিয়া সন্ধিৰ চৰ্ত উলঙ্ঘা কৰে। সেই সময়ত আবু চুফিয়ানে মদিনালৈ গৈ হুদায়বিয়া সন্ধিৰ আকৌ এটা নতুন চুক্তি পত্ৰ স্বাক্ষৰ কৰিব বিচাৰে। এই বিষয়টো লৈ তেওঁ নবী কৰিম (ছাঃ)ৰ ওচৰত যায়; কিন্তু নবী কৰিম (ছাঃ)য়ে এই বিষয়ে কোনো উত্তৰ আবু চুফিয়ানক নিদিয়ে। নিৰাশ হৈ তেওঁ আকৌ হজৰত আবু বক্কৰ (ৰাঃ) আৰু হজৰত উমৰ (ৰাঃ)ৰ ওচৰত গৈ কথা পাতে যে এখেত দুজনে গৈ আঁ-হজৰত (ছাঃ)ৰ লগত সন্ধি সম্পৰ্কে

আলোচনা কৰিব লাগে কিন্তু কথাটো দুয়োজনেই অস্বীকাৰ কৰাত আবু চুফিয়ানে নিৰাশ মনলৈ ওভতি যায়।

চন আঠ হিজৰিৰ ৰমজান মাহত মক্কা বিজয় হয় যাক মহা বিজয়ৰ যুদ্ধ বুলিও কোৱা হয়। ইতিহাস তিব্রিত বৰ্ণনা কৰা আছে যে ৰছুলুল্লাহ (ছাঃ)য়ে লোকক কৰবালৈ যাত্ৰা কৰাৰ প্ৰস্তুতি ল'বলৈ নিৰ্দেশ জাৰি কৰে। তেখেত (ছাঃ)য়ে নিজৰ পৰিয়ালকও নিজৰ আচবাব পত্ৰ সাজু কৰিবলৈ আদেশ দিয়ে। হজৰত আবু বক্কৰ (ৰাঃ)য়ে নিজৰ জীয়েক আয়শা (ৰাঃ)ৰ ঘৰত গৈ দেখিবলৈ পায় যে তাই ৰছুলুল্লাহ (ছাঃ)ৰ বস্তু বাহানি সাজু কৰি আছে। ছিৰাত হালবিয়াত লিখা আছে যে যেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে এই বিষয়ে হজৰত আয়শা (ৰাঃ)ক সোধ-পোছ কৰি আছিল তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে তাত গৈ উপস্থিত হয়। হজৰত আবু বক্কৰ (ৰাঃ)য়ে কথাটো আঁ-হজৰত (ছাঃ)ক সোধাত তেখেত (ছাঃ)য়ে কৈছিল-কুৰাইছ সকলৰ মোকাবিলাৰ সিদ্ধান্ত লোৱা হৈছে। তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে আৰজ কৰে যে কিয় ! কুৰাইছ আৰু আমাৰ মাজত স্থাপন হোৱা সন্ধি আৰু চুক্তি পত্ৰৰ ম্যাদ উকলিবলৈ সময় আৰু বাকী নাই নে ? তেখেত (ছাঃ)য়ে উত্তৰ দিছিল হয় আছে। কিন্তু সিহঁতে বিশ্বাসঘাতকতা কৰিছে আৰু  চুক্তি ভঙ্গ কৰি পেলাইছে। কিন্তু কথাটো আপুনি এতিয়াও গোপনে ৰাখিব।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে আঁ-হজৰত (ছাঃ)ৰ নিৰ্দেশত কেইবা হাজাৰ লোকে সৈন্য সাজেৰে সজ্জিত হৈ পৰিছিল। আঁ-হজৰত (ছাঃ)য়ে যেতিয়া ৰণ অভিমুখে যাত্ৰা কৰিবলৈ লয় তেতিয়া কৈছিল হে মোৰ প্ৰভু ! মই তোমাৰ ওচৰত প্ৰাৰ্থনা জনাও যে তুমি মক্কাৰ বাসিন্দা সকলৰ কাণ ক'লা কৰি দিয়া আৰু সিহঁতৰ গুপ্তচৰ সকলক অন্ধ কৰি দিয়া। নে সিহঁতে আমাক দেখিবলৈ পায়  আৰু নে আমাৰ খবৰ বা কোনো কথা সিহঁতৰ কাণত পৰে। মদিনাত শ শ মুনাফিক (কপটাচাৰী) বৰ্তমান আছিল তাতে দহ হেজাৰৰ এটা সৈন্যদল মক্কালৈ বুলি যাত্ৰা কৰে অথচ কোনো মুনাফিকেই এই খবৰ মক্কাত পৌচাব নোৱাৰিলে। এয়াই আছিল আল্লাহৰ কাম।

তবকাত ইবনে ছাআদত লিখা আছে যে মুছলমান কাফেলা ঈশাৰ নমাজৰ সময়ত মক্কাৰ পৰা মদিনালৈ অহাৰ বাটত ২৫ কি:মি: মান আঁতৰত মৰাজজেহেৰাণ নামক ঠাইত গৈ উপস্থিত হৈছিল। চাহাবা সকলে আঁ-হজৰত (ছাঃ)ৰ আদেশ অনুযায়ী দহ হেজাৰ মান ঠাইত জুই জ্বলাই ৰাখিছিল। ইফালে মক্কাৰ কুৰাইছ সকলে আঁ-হজৰত (ছাঃ)ৰ বাহিনীৰ খবৰ পাই আবু চুফিয়ান বিন হৰাব, হাকিম বিন হজাম আৰু বদিল বিন ৱাৰকা; এই তিনিজনক মক্কা বাসীৰ  হৈ নিৰাপত্তা বিচাৰি আঁ-হজৰত (ছাঃ)ৰ ওচৰত পঠাই দিয়ে। এওঁলোকে আহি মুছলমান সৈন্য বাহিনী চাই ভয়াতুৰ হৈ পৰে। হজৰত আববাছ (ৰাঃ)য়ে আবু চুফিয়ানৰ মাত শুনি চিনি পাই ঘূৰাই মাতিছিল হে আবু হাঞ্জেলা ! (আবু চুফিয়ানৰ কুনিয়াত) এই মাত শুনি আবু চুফিয়ানে কৈছিল- লাববেক (উপস্থিত আছো)। হজৰত আববাছ (ৰাঃ)য়ে তেওঁলোকক নিজৰ আশ্ৰয়ত লৈ লৈছিল আৰু তিনিও জনকে আঁ-হজৰত (ছাঃ)ৰ ওচৰত লৈ আনি হাজিৰ কৰে। তাতেই তিনিও জনে ইছলাম গ্ৰহণ কৰে। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এই বৰ্ণনাৰ ধাৰাবাহিকতা ইনশা আল্লাহ আগলৈ চলিব।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ.

# BOOK POST (PRINTED MATTER)

TO,

........................................................................................................................................

........................................................................................................................................

........................................................................................................................................

........................................................................................................................................

........................................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**